# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 26-10-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::**

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত কাইলৈ অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। ৰাজ্যত গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ২০২৩ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ এক্টৰ সংশ্লিষ্ট ব্যৱস্থাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰী পীযূষ হাজৰিকাই বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ লগতে তেওঁ চামগুৰি সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈও প্ৰচাৰত অংশ লয়। ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই আজি ছিদলী সমষ্টিৰ মনোনীত প্ৰাৰ্থী সঞ্জীৱ ৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ মাজতে তেওঁ বহুকেইটা অঞ্চলৰ ৰাইজৰ সৈতে মত বিনিময় কৰে। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে।

০০০

পোহৰৰ উৎসৱ দীপান্বিতা আৰু কালী পুজাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। বিভিন্ন জিলা প্ৰশাসনে সুৰক্ষিতভাৱে দীপান্বিতা উদযাপনৰ বাবে সজাগতাৰ সৃষ্টি কৰিছে। এই উৎসৱৰ সময়ত দুৰ্ঘটনাৰ পৰা হাত সাৰি থকাৰ লগতে জুইয়ে পোৱাৰ পৰা সাৱধানতা অৱলম্বন কৰিবলৈ জ্যেষ্ঠ চিকিৎসক ডাঃ হীতেশ বৰুৱাই জনসাধাৰণৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে।

বাইট

০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আজি দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানত সুনীল মহান্তী, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকা, সংগীতশিল্পী তৰালী

শৰ্মাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকাই অনুষ্ঠানত কলা আৰু সংস্কৃতিৰ জৰিয়তে সংস্কৃতি আৰু ঐতিহ্য ৰক্ষা কৰিব লাগিব বুলি ভাষণত উল্লেখ কৰে। প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হয়। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০

মাধ্যমিক শিক্ষা সঞ্চালকালয়, প্ৰাথমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনত কৰ্মৰত সকলো শিক্ষকে অলপতে প্ৰকাশিত বিজ্ঞাপন অনুসৰি স্নাতকোত্তৰ আৰু স্নাতক শিক্ষক পদৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অনুমোদনমৰ্মে ৰাজ্য চৰকাৰ বিদ্যালয় শিক্ষা বিভাগে পদসমূহৰ বিপৰীতে আবেদন কৰাৰ বাবে সমূহীয়াভাৱে আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰিছে। অৱশ্যে নিৰ্দেশনাটোত উল্লেখ থকা অনুসৰি শিক্ষক পদৰ বাবে বাছনি হোৱাৰ পাছত নিযুক্তিৰ বাবে সংশ্লিষ্ট শিক্ষকগৰাকীয়ে আপত্তিবিহীন প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

০০০

ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগে আজি মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মৈৰাবাৰী ৰাষ্ট্ৰভাষা হিন্দী বিদ্যালয়ত বিশেষভাৱে সক্ষম লোকসকলক সহায়ক উপকৰণ বিতৰণ কৰে। এই কাৰ্যসূচীৰ অধীনত ১৬১ জন বিশেষভাৱে সক্ষম লোকক আনুষ্ঠানিকভাৱে বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। ভাৰতীয় কৃত্ৰিম অংগ নিৰ্মাণ নিগমৰ জৰিয়তে লাভ কৰা হুইল চেয়াৰ, মটৰাইজ চাইকেল, হিয়াৰিং এইড আৰু শিশু সামগ্ৰী বিতৰণ কৰা হয়।

০০০

দৰং জিলাৰ দুনীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে দুনী মুকলি দ্ৰুত দবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। দুনী দবা একাডেমীৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। সুদক্ষ দবা খেলুৱৈ তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক বিপুল শৰ্মাই প্ৰতিযোগিতাখন আজি উদ্বোধন কৰে। আজিৰ অনুষ্ঠানত জিলাখনৰ এসময়ৰ সুদক্ষ দবা খেলুৱৈ আৰু ক্ৰীড়া সংগঠকসকলক সম্বৰ্ধনা জনোৱা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ